# পূৰ্বোত্তৰ হিমালয়

## এটি নৃবৈজ্ঞানিক অৱলোকন



সম্পাদনা

ড° কল্যাণ বৰুৱা

# ৰাভা সমাজত ডাইনী বিশ্বাস ঃ এক চমু আলোকপাত

ড° মহানন্দ দাস

**পাতনি ঃ**

মানুহ সামাজিক প্ৰাণী। প্ৰাক ঐতিহাসিক যুগৰ পৰাই মানুহে লাহে লাহে সমাজ পাতি থাকিবলৈ লয়। অতীতৰ পৰা আমি সামাজিক প্ৰাণী হিচাপে সকলোৱে এটা নিৰ্দিষ্ট পৰ্যায়লৈ এক সমাজ ব্যৱস্থাৰ মাজত অৰ্ন্তভুক্ত হৈ পৰে, বিশ্বাসৰ বশৱৰ্তী হওঁ। বিশ্বাসৰ লগত আমাৰ সদায় আৱেগ জড়িত হৈ থাকে। যেতিয়া আৱেগৰ লগত যুক্তিৰ সংযোগ হয় তেতিয়াই সৃষ্টি হয় বিশ্বাস। যেতিয়া কোনো এটা কাম, কোনো এটা নিয়ম জ্ঞান আৰু যুক্তিৰে বিচাৰ কৰি চাই সেইটো গ্ৰহণ কৰিবলৈ বিবেক সন্মত হয় বা সন্মতি প্ৰকাশ কৰে আৰু কাৰ্যত তাক প্ৰয়োগ কৰে তেতিয়াই বিশ্বাসৰ জন্ম হয়। অন্ধবিশ্বাস হ'ল ইয়াৰ সম্পূৰ্ণ বিপৰীত ধাৰণা। যেতিয়া কোনো এটা বিশ্বাস বা কাম কোনো এটা নীতি-নিয়ম মানুহে জ্ঞান আৰু যুক্তিৰে বিচাৰ নকৰাকৈ মানি লয় আৰু তাক কাৰ্য্যত বিচাৰ-বিবেচনা নকৰাকৈ প্ৰয়োগ কৰে তেতিয়াই অন্ধবিশ্বাসৰ জন্ম হয় এনে বিশ্বাস বা অন্ধবিশ্বাস সমাজত ক্ৰমাৎ বাঢ়ি গৈ থাকে।

ডাইনী বিশ্বাসটোও তেনেকুৱাই; ই লাহে লাহে বাঢ়ি গৈ থাকে। অন্ধবিশ্বাসৰ প্ৰতিশব্দ Superstition শব্দটো লেটিন পদ Stare ৰ পৰাই সৃষ্টি হৈছে আৰু ইয়াৰ প্ৰতিশব্দ Supervival ইংৰাজী Superstition ৰ সমাৰ্থক। লোক সমাজৰ পৰা অভিজাত সমাজলৈ অন্ধবিশ্বাস প্ৰবাহিত হয়। অন্ধবিশ্বাসৰ সূত্ৰ দিয়াটো কঠিন। প্ৰত্যেক মানুহে কম বেছি পৰিমাণে অন্ধবিশ্বাসী। চাৰ্লচ প্লেটৰ ভাষাত কৈছে— "Nearly every one is more or less superstition, though most people would deny this, never the less ninety nine person out of hundred walk around leader rather under it."

ইংৰাজী শব্দ Wit (জ্ঞান)ৰ পৰা Witch (ডাইনী) হোৱা বুলি অনুমান কৰিব

"পূৰ্বোত্তৰ হিমালয় : এটি নৃবৈজ্ঞানিক অৱলোকন" গ্ৰন্থখন মূলতঃ আন্তৰ্জাতিক খ্যাতিসম্পন্ন নৃবিজ্ঞানী ড° অন্নদা চৰণ ভাগৱতীদেৱৰ স্মৃতিত উৎসৰ্গিত এটি প্ৰবন্ধ সংকলন। ড° ভাগৱতী যদিও এগৰাকী নৃতত্ত্ববিদ আছিল গ্ৰন্থখনত ইতিহাসবিদ, ভূগোলবিদ, লোকসংস্কৃতিবিদ, ভাষাতত্ত্ববিদ তথা অসমীয়া সাহিত্যৰ কেইবাগৰাকী পুৰোধা ব্যক্তিয়ে তেওঁলোকৰ লিখনিৰে বৰেণ্য নৃতত্ত্ববিদ গৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। গ্ৰন্থখনত স্বৰ্গীয় ভাগৱতীদেৱৰ জীৱন বৃত্তান্ত আৰু তেওঁৰ উমাল সান্নিধ্যৰ সজীৱ বৰ্ণনাৰ লগতে নৃবিজ্ঞান আৰু সমাজ বিজ্ঞানৰ বিভিন্ন শাখাৰ একোটা দিশৰ ওপৰত আলোকপাত কৰা মৌলিক প্ৰবন্ধ বা গৱেষণা পত্ৰৰে সংকলনটি প্ৰস্তুত কৰা হৈছে। এই সংকলনটিত সন্নিবিষ্ট প্ৰবন্ধৰাজিত উত্তৰ-পূব ভাৰতৰ বিশেষকৈ অসমৰ বিভিন্ন জনগোষ্ঠীৰ সমাজ জীৱনৰ এটি আভাস পাব।

# পূৰ্বোত্তৰ হিমালয়

## এটি নৃবৈজ্ঞানিক অৱলোকন

পূৰ্বাঞ্চল প্ৰকাশ
গুৱাহাটী

Email: purbanchal_prakash@yahoo.com
Visit us: www.purbanchalprakash.in
Phone:0361 2222978/84860 22912

ISBN 978-9-39-187809-2
9 789391 878092

₹ 590.00 only